# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-01-2026
**Time :** 1340 Hrs.

## *Assamese Midday Bulletin*
## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ ৰায় পিথোৰা সাংস্কৃতিক চৌহদত পবিত্ৰ পিপৰহৰা অৱশেষৰ প্ৰদৰ্শনী উদ্বোধন কৰে।

২। ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে কৈছে, যে বুলেট ট্ৰেইন প্ৰকল্পই পৰ্যাপ্ত কৰ্মসংস্থানৰ সৃষ্টি কৰিব আৰু অতিৰিক্ত কেতবোৰ সুবিধা প্ৰদান কৰিব।

৩। ছত্তিশগড়ৰ বাস্তাৰ সংমণ্ডলত আজি সুৰক্ষা বাহিনীৰ সৈতে হোৱা দুটা সুকীয়া সংঘৰ্ষত ১৪ জন মাওবাদী নিহত হয়।

৪। বি চি চি আইয়ে ২০২৬ বৰ্ষৰ আই পি এলৰ পূৰ্বে বাংলাদেশৰ বেগী বলাৰ মুস্তাফিজুৰ ৰহমানক দলৰপৰা অব্যাহতি দিবলৈ কলকাতা নাইট ৰাইদাৰ্ছক আহ্বান জনাইছে।

*আৰু*

৫। দক্ষিণ আফ্ৰিকাৰ বেননীৰ উইল'মোৰ পাৰ্কত আজি ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ ১৯ বছৰ অনূৰ্ধ দলৰ মাজত প্ৰথমখন এদিনীয়া আন্তঃৰাষ্ট্ৰীয় খেল অনুষ্ঠিত হৈছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ ৰায় পিথোৰা সাংস্কৃতিক চৌহদত পবিত্ৰ পিপৰহৰা অৱশেষৰ প্ৰদৰ্শনী উদ্বোধন কৰে। পিপৰহৰা অৱশেষ শাক্য বংশৰ প্ৰতিষ্ঠাতা গৌতম বুদ্ধৰ সৈতে জড়িত বুলি বিশ্বাস প্ৰচলিত হৈ আহিছে। প্ৰধানমন্ত্ৰীয়ে লগতে প্ৰদৰ্শনীৰ বিভিন্ন শাখা পৰিদৰ্শন কৰে। প্ৰধানমন্ত্ৰীয়ে প্ৰদৰ্শনীৰ এখন কেটেল'গ উন্মোচন কৰে। এই উপলক্ষে শ্ৰীমোদীয়ে কয়, যে দীৰ্ঘ প্ৰতীক্ষাৰ অন্তত দেশৰ ঐতিহ্য ঘূৰি আহিছে আৰু ইয়াৰ পৱিত্ৰ গৰিমাও ঘূৰি আহিছে। তেওঁ কয়, যে আজিৰে পৰা দেশৰ জনসাধাৰণে গৌতম বুদ্ধৰ এই পৱিত্ৰ অৱশেষ দৰ্শন কৰিব পাৰিব আৰু তেওঁৰ  দৈব্যআশিষ লাভ কৰিব পাৰিব।

বৌদ্ধ ধৰ্মৰ প্ৰাৰম্ভিক অৱস্থাৰ অধ্যয়নত ১৮৯৮ চনত সন্ধান পোৱা পিপৰহৰা অৱশেষৰ গুৰুত্বপূৰ্ণ স্থান আছে। এয়া ভগৱান বুদ্ধৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত প্ৰাচীন আৰু ঐতিহাসিক দিশৰ পৰা গুৰুত্বপূৰ্ণ অৱশেষসমূহৰ অন্যতম। প্ৰত্নতাত্বিক প্ৰমানৰ পৰা পিপৰহৰা থলী আৰু প্ৰাচীন কপিলাবস্তুৰ যোগসূত্ৰৰ কথা পোহৰলৈ আহে। ভগৱান বুদ্ধই দিব্য জ্ঞান লাভ কৰাৰ পূৰ্বে কপিলা বস্তুত পাৰম্ভিক জীৱন অতিবাহিত কৰিছিল। এই প্ৰদৰ্শনীয়ে প্ৰথমবাৰৰ বাবে এক শতিকাৰো অধিক কালৰ পাছত পিপৰহৰা অৱশেষক স্বদেশলৈ ঘূৰাই অনা হৈছে। পিপৰহৰা অৱশেষৰ কিছু অংশ নতুন দিল্লীৰ ৰাষ্ট্ৰীয় সংগ্ৰহালয় আৰু কলকাতাৰ ভাৰতীয় সংগ্ৰহলায়ত সংৰক্ষিত কৰা হৈছে।

কেন্দ্ৰীয় সাংস্কৃতিক মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱটে কয়, যে এই ঐতিহাসিক প্ৰদৰ্শনীয়ে ১২৭ বছৰ পাছত ভগৱান বুদ্ধৰ পিপৰহৱা প্ৰত্ন অৱশেষৰ স্বদেশ প্ৰত্যাৱৰ্তনক সূচায়। তেওঁ কয়, যে এয়া সমগ্ৰ দেশৰ বাবে প্ৰেৰণা আৰু গৌৰৱৰ বিষয়। সাংস্কৃতিক মন্ত্ৰালয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দেশৰ ঐতিহ্যৰ সংৰক্ষণৰ সৈতে উন্নয়নৰ দৃষ্টিভংগী অনুযায়ী কাম কৰি আহিছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। শ্ৰীশেখাৱটে কয়, যে তেওঁৰ মন্ত্ৰালয়ে দেশৰ প্ৰত্নতাত্বিক আৰু সাংস্কৃতিৰ ঐতিহ্যৰ সংৰক্ষণ, পাণ্ডুলিপিৰ ডিজিটেল ৰূপ প্ৰদান আৰু দেশৰ সাংস্কৃতিক সম্পৰ্কৰ সুদৃঢ়কৰণৰ হকে কাম কৰি আছে।

নতুন দিল্লীত আয়োজন কৰা এই প্ৰদৰ্শনীৰ ভগৱান বুদ্ধৰ শিকনিসমূহৰ সৈতে ভাৰতৰ গভীৰ তথা নিৰন্তৰ সভ্যতাজনিত সম্পৰ্কক প্ৰতিফলিত কৰে আৰু দেশৰ চহকী আধ্যাত্মিক তথা সাংস্কৃতিক ঐতিহ্যৰ সংৰক্ষণৰ প্ৰতি প্ৰধানমন্ত্ৰীৰ প্ৰতিশ্ৰুতিবদ্ধতাক সূচায়। চৰকাৰৰ নিৰন্তৰ প্ৰচেষ্টা, প্ৰতিষ্ঠানগত সহযোগিতা আৰু অভিনৱ ৰাজহুৱা ব্যক্তিগত সহযোগিতাৰ বাবে অলপতে এই অৱশেষসমূহ স্বদেশলৈ আনিব পৰা গৈছে।

ooooooooo

ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে কৈছে, যে বুলেট ট্ৰেইন প্ৰকল্পই পৰ্যাপ্ত কৰ্মসংস্থানৰ সৃষ্টি কৰিব আৰু অতিৰিক্ত কেতবোৰ সুবিধা প্ৰদান কৰিব। তেওঁ কয়,যে সম্পূৰ্ণ হোৱাৰ পাছত এই প্ৰকল্পই মুম্বাই আৰু আহমেদাবাদৰ মাজত যাত্ৰাৰ সময় এঘণ্টা ৫৮ মিনিটলৈ হ্ৰাস কৰাৰ লগতে প্ৰধান প্ৰধান বাণিজ্যিক কেন্দ্ৰসমূহৰ মাজত অৰ্থনৈতিক যোগাযোগ শক্তিশালী কৰিব। মহাৰাষ্ট্ৰৰ পালঘৰ জিলাৰ ভাইৰা আৰু বৈছাৰ বুলেট ট্ৰেইন ষ্টেচনৰ মাজত অৱস্থিত প্ৰায় ডেৰ কিলোমিটাৰ দীঘল পাৰ্বত্য সুৰংগৰ নিৰ্মাণ সম্পূৰ্ণ হোৱাৰ পৰিপ্ৰেক্ষিতত কালি ৰে'লমন্ত্ৰীগৰাকীয়ে এইদৰে কয়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে এই প্ৰকল্প সম্পূৰ্ণ হ'লে পথ পৰিবহনৰ তুলনাত প্ৰায় ৯৫ শতাংশ কাৰ্বন নিৰ্গমন হ্ৰাস পাব। মহাৰাষ্ট্ৰত ৭টা পাৰ্বত্য সুৰংগ নিৰ্মাণৰ কাম চলি আছে। এই সুৰংগ সমূহৰ মুঠ দৈৰ্ঘ্য হৈছে ৬ কিলোমিটাৰ।

ooooooooo

ছত্তিশগড়ৰ বাস্তাৰ সংমণ্ডলত আজি সুৰক্ষা বাহিনীৰ সৈতে হোৱা দুটা সুকীয়া সংঘৰ্যত ১৪ জন মাওবাদী নিহত হয়। সুকমা জিলাৰ ক'ণ্টা এলেকাত হোৱা এটা সংঘৰ্যত ১২ জন মাওবাদী নিহত হয়। একেদৰে বিজাপুৰ জিলাৰ বাছাগুড়া এলেকাত হোৱা আন এটা সংঘৰ্যত দুজন মাওবাদী নিহত হয়। সুৰক্ষা বাহিনীয়ে সংঘৰ্যস্থলীৰ পৰা নিহত মাওবাদী কেইজনৰ মৃতদেহ উদ্ধাৰ কৰিছে। সুৰক্ষা বাহিনীয়ে এটা এ কে 47 ৰাইফল, এটা এছেলাৰ ৰাইফলসহ বুজন পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰও উদ্ধাৰ কৰিছে।

ooooooooo

ভেল'ৰৰ স্বৰ্ণ মন্দিৰৰ মুখ্য পুৰোহিত শক্তি আম্মাৰ ৫০ বছৰীয়া জন্মদিন উপলক্ষে উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে আজি মন্দিৰটো দৰ্শন কৰে। তাত সমবেত লোকসকলক উদ্দেশ্যি উপ ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে এই বিশেষ স্বৰ্ণ মন্দিৰ হৈছে দেশৰ দুটা স্বৰ্ণ মন্দিৰৰ অন্যতম। এই মন্দিৰৰ চৌহদ কেৱল উপাসনাস্থলীয়ে নহয়, বৰং মানৱ সেৱাৰ স্থান বুলিও শ্ৰীৰাধাকৃষ্ণণে উল্লেখ কৰে। সমাজৰ উপকাৰৰ অৰ্থে মন্দিৰ প্ৰশাসনে গ্ৰহণ কৰা কল্যাণমূলক আঁচনিসমূহক তেওঁ প্ৰশংসা কৰে। এই অনুষ্ঠানত কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ ৰাজ্যিক মন্ত্ৰী ড০ এল মুৰুগান আৰু অন্যান্য নেতা উপস্থিত থাকে।

উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে আজি সন্ধিয়া চেন্নাইত নৱম সিদ্ধা দিৱস উদ্বোধন কৰিব। এই অনুষ্ঠানত কেন্দ্ৰীয় আয়ুষ মন্ত্ৰী প্ৰতাপ ৰাও যাদৱ উপস্থিত থাকিব।

০০০০০০০০০

বিহু আৰু ঝুমুৰৰ পাছত অহা ১৭ জানুৱাৰীত গুৱাহাটীত প্ৰায় ১০হাজাৰ শিল্পীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ উপস্থিতিত বাগৰুম্বা প্ৰদৰ্শন কৰিব। অসমৰ অন্যতম প্ৰধান জনগোষ্ঠী বড়োসকলৰ লোকনৃত্য বাগৰুম্বাক বিশ্বৰ প্ৰেক্ষাপটলৈ নিয়াৰ লক্ষ্যৰে অসম চৰকাৰে গুৱাহাটী সৰুসঁজাই ষ্টেডিয়ামত এই অভিলাষী আয়োজন কৰিছে। অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি লোকসেৱা ভৱনত জিলা আয়ুক্তসকলৰ সৈতে ভিডিঅ' কনফাৰেন্সত অংশগ্ৰহণ কৰি বাগৰুম্বাৰ অনুশীলনৰ বুজ লয়।

০০০০০০০০০

নিৰ্বাচন আয়োগে পশ্চিমবংগৰ চূড়ান্ত ভোটাৰ তালিকাত তিনিটা আদিম জনজাতিৰ নাম অন্তৰ্ভুক্ত কৰাৰ সিদ্ধান্ত লৈছে। এই তিনিটা সম্প্ৰদায়ৰ ভোটদাতাসকলে ইয়াৰ বাবে কোনো নথি পত্ৰ জমা দিব নালাগে। পশ্চিমবংগৰ মুখ্য নিৰ্বাচনী বিষয়াৰ সূত্ৰই প্ৰকাশ কৰা মতে ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্ত কৰাৰ বাবে সিদ্ধান্ত লোৱা আদিম জনজাতি তিনিটা হৈছে বীৰহোৰ, টটো আৰু চাবৰ। আয়োগে জাৰি কৰা নিৰ্দেশনা অনুযায়ী জিলা দণ্ডাধীশ আৰু জিলা নিৰ্বাচনী বিষয়াসকলে খণ্ড উন্নয়ন বিষয়াসকলক নিজ নিজ এলেকাৰ অধীনৰ এই তিনিটা জনজাতি সম্প্ৰদায়ৰ ভোটদাতাৰ তথ্য উপলব্ধ কৰাবলৈ কৈছে।

০০০০০০০০০

শ্ৰীলংকাৰ নৌ সেনাবাহিনীয়ে আজি কডিয়াক্কৰাইৰ পৰা তামিলনাডুৰ মায়ালাদুথুৰাইৰ ৯ জন মাছমৰীয়াৰ গ্ৰেপ্তাৰ কৰে। মাছমৰীয়া কেইজনে কালি নাৱেৰে সাগৰত মাছ ধৰিবলৈ গৈছিল আৰু সাগৰৰ সমীপৰ কডিয়াক্কৰাইত নিশাটো কটাইছিল। শ্ৰীলংকা নৌ সেনাবাহিনীয়ে আন্তঃৰাষ্ট্ৰীয় জলসীমা অতিক্ৰম কৰি দেশখনত প্ৰৱেশ কৰা বাবে আজি মাছমৰীয়া কেইজনক তাৰ পৰা গ্ৰেপ্তাৰ কৰে আৰু দুখন নাও জব্দ কৰে।

০০০০০০০০০

বাংলাদেশ নেচনেলিষ্ট পাৰ্টি, বি এন পিৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ তাৰিক ৰহমানে দলৰ অধ্যক্ষৰ দায়িত্ব গ্ৰহণ কৰিব। বি এন পিৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি দলৰ সংবিধান অনুযায়ী অধ্যক্ষ বেগম খালেদা জিয়াৰ মৃত্যুৰ পাছত তাৰিক ৰহমান স্বতঃস্ফূৰ্তভাৱে অধ্যক্ষ পদত অধিষ্ঠিত হ'ব। এই সন্দৰ্ভত দলৰ ফালৰ পৰা কোনো ধৰণৰ আনুষ্ঠানিক ঘোষণা কৰা নহয় বুলিও সূত্ৰটোৱে জানিবলৈ দিছে। অহা ১২ ফেব্ৰুৱাৰীত বাংলাদেশৰ ত্ৰয়োদশ জাতীয় সংসদৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। ইয়াৰপূৰ্বে এটা প্ৰস্তাৱ যোগে প্ৰচাৰৰ খাতিৰতে তাৰিক ৰহমানক দলৰ অধ্যক্ষ হিচাপে দায়িত্ব দিয়া হ'ব। নিৰ্বাচনী বিধি অনুসৰি প্ৰাৰ্থীসকলে বেনাৰ, পোষ্টাৰ, লিফলেট আদিত কেৱল দলৰ বৰ্তমানৰ মুৰব্বীৰ ফটোহে ব্যৱহাৰ কৰিব পাৰিব। বি এন পিৰ জ্যেষ্ঠ নেতা চালাহ উদ্দিন আহমেদে কয়, যে এই বিষয়ত দলে নিৰ্বাচন আয়োগৰ মতামত বিচাৰিব। প্ৰাক্তন প্ৰধানমন্ত্ৰী তথা বি এন পিৰ অধ্যক্ষ বেগম খালেগা জিয়াৰ ৩০ ডিচেম্বৰত দীৰ্ঘদিনীয়া অসুস্থতাৰ পাছত মৃত্যু হৈছিল।

০০০০০০০০০

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ BCCI-য়ে ২০২৬ বৰ্ষৰ আই পি এলৰ পূৰ্বে বাংলাদেশৰ বেগী বলাৰ মুস্তাফিজুৰ ৰহমানক দলৰপৰা অব্যাহতি দিবলৈ কলকাতা নাইট ৰাইদাৰ্ছক আহ্বান জনাইছে। কলকাতা নাইট

ৰাইদাৰ্ছ দলে যোৱামাহত হোৱা খেলুৱৈৰ নিলামীৰ সময়ত চেন্নাই ছুপাৰ কিংছ আৰু ডেলহি কেপিটেলছৰ সৈতে কঠোৰ প্ৰতিযোগিতাৰ অন্তত ৩০ বছৰীয়া বাওহতীয়া খেলুৱৈগৰাকীক ৯ কোটি ২০ লাখ টকাত দলত অন্তৰ্ভুক্ত কৰিবলৈ সমৰ্থ হৈছিল। বিচিচিআইৰ সচিব দেৱজীত শইকীয়া কৈছে যে, কলকাতা দলে মুস্তাফিজুৰ ৰহমানৰ ঠাইত প্ৰয়োজন হ'লে আন এগৰাকী খেলুৱৈক দলত অন্তৰ্ভুক্ত কৰিব পাৰিব। বাংলাদেশত এগৰাকী হিন্দু যুৱকক হত্যাৰ পাছত আই পি এল প্ৰতিযোগিতাত অংশগ্ৰহণৰ পৰা ৰহমানক বাৰণ কৰাৰ বাবে কলকাতা নাইট ৰাইদাৰ্ছৰ ওপৰত হেঁচা বৃদ্ধি পাইছিল। ৰহমানে ২০১৬ চনৰ পৰা এতিয়ালৈকে আই পি এলৰ ৮টা সংস্কৰণত ভাগ লৈছে। খেলুৱৈগৰাকীয়ে কেৱল ২০১৯ আৰু ২০২০ চনৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা নাছিল।

ooooooooo

দক্ষিণ আফ্ৰিকাৰ বেননীৰ উইল'মোৰ পাৰ্কত আজি ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ ১৯ বছৰ অনূৰ্ধ দলৰ মাজত প্ৰথমখন এদিনীয়া আন্তঃৰাষ্ট্ৰীয় খেল অনুষ্ঠিত হৈছে। তিনিখনীয়া শৃংখলাৰ প্ৰথমখন খেল ভাৰতীয় সময় অনুসৰি দিনৰ ডেৰ বজাত আৰম্ভ হৈছে। অহা ১৫ জানুৱাৰীৰ পৰা হ'বলগীয়া আই চি চি ১৯ বছৰ অনূৰ্ধ বিশ্বকাপৰ পূৰ্বে এই শৃংখলা দুয়োটা দলৰ বাবে উপযুক্ত প্ৰস্তুতিমূলক খেল হিচাপে বিবেচিত হ'ব। বৈভৱ সূৰ্যবংশীয়ে ভাৰতীয় দলটোক নেতৃত্ব দিছে।

ooooooooo

**সমাপ্ত**